জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৫০/২০২০

# উচ্চতৰ মাধ্যমিক বিজ্ঞান, কলা, বাণিজ্য আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকললৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন

**দিছপুৰ, ২৫ জুন ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ফলাফল ঘোষিত হোৱা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত উচ্চতৰ মাধ্যমিক বিজ্ঞান, কলা আৰু বাণিজ্য আৰু বৃত্তিমুখী শাখাৰ চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সমূহ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে পৰীক্ষাত উত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীৰে উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকললৈও অভিনন্দন জ্ঞাপন কৰিছে।

এক বাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ছাত্ৰ-ছাত্ৰীসকলে প্ৰজ্ঞা আৰু সাধনাৰে তেওঁলোকৰ কৰ্মপথাৰত নিয়োজিত হোৱা বাবে এই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। পৰৱৰ্তী জীৱনতো তেওঁলোকে একেই নিষ্ঠা, আত্মবিশ্বাস, একাগ্ৰতা আৰু অধ্যাৱসায়েৰে সফলতাৰ ধাৰা অব্যাহত ৰখাৰ বাবে প্ৰয়াস চলাই যাব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। প্ৰতিযোগিতামূলক মনোভাবেৰে অধ্যয়নত ব্ৰতী হৈ নিজৰ সু-ভৱিষ্যৎ গঢ় দিয়াৰ লগতে ৰাজ্যখনৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াবলৈও ছাত্ৰ-ছাত্ৰীসকললৈ মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগত জীৱনত সফলতাৰ সমান্তৰালভাৱে এটা মূল্যবোধসম্পন্ন জীৱন গঢ়াৰ বাবেও দৃঢ়তাৰে আগবাঢ়িবৰ বাবে আহ্বান জনায়।

আনহাতে মুখ্যমন্ত্ৰী সোণোৱালে এই পৰীক্ষাত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলকো হতাশ নহৈ দৃঢ় লক্ষ্য লৈ অধিক নিষ্ঠা আৰু একাগ্ৰতাৰে অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায় যাতে তেওঁলোকে পৰৱৰ্তী পৰ্যায়ত জীৱনৰ এই গুৰুত্বপূৰ্ণ পৰীক্ষাত সফল হ'ব পাৰে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**২৫/০৬/২০২০**